**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনা সিদ্ধান্ত ৰাজ্য চৰকাৰৰ বাবে ঐতিহাসিক পদক্ষেপ বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ গোচৰৰ শুনানিৰ বাবে প্ৰয়োজন হ'লে এখন ফাষ্টট্ৰেক আদালত গঠন সন্দৰ্ভত পৰৱৰ্তী মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীৰ মন্তব্য।

৩। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত চৰচ মেলাত মুখ্য অতিথি হিচাপে আজি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অংশগ্ৰহণ।

৪। গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে বন বিভাগৰ ৫৭টা পৰিয়াললৈ জাননী জাৰি।

**আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত ভাৰতৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ ৭৬ ৰানত জয়।

oooooo

অসমীয়া জাতীয় জীৱনৰ স্বাভিমানৰ প্ৰতীক বৃন্দাবনী বস্ত্ৰ অসমলৈ ঘূৰাই অনাৰ সিদ্ধান্ত ৰাজ্য চৰকাৰৰ বাবে এটা ঐতিহাসিক পদক্ষেপ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অমূল্য সৃষ্টি বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে গুৱাহাটীৰ খানাপাৰাত নিৰ্মাণ হ'বলগীয়া সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কালি এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে শতিকাৰ পাছত অসমে পুনৰ নিজৰ মাটিত এই পৱিত্ৰ সৃষ্টিৰ দৰ্শন লাভ কৰিব। গুৰুজনাৰ আশীৰ্বাদেৰে নিজৰ পৰিচয় আৰু ঐতিহ্য সুৰক্ষিত কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে। প্ৰায় ১৮ মাহৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া সংগ্ৰহালয়টো পৰৱৰ্তী সময়ত ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই পৰিদৰ্শন কৰাৰ পাছত বৃন্দাবনী বস্ত্ৰ অসমলৈ আনিব পৰা যাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooo

জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সম্পৰ্কীয় গোচৰৰ শুনানিৰ বাবে এখন FAST TRACK আদালত গঠন সন্দৰ্ভত প্ৰয়োজন হ'লে অহা ২৬ ফেব্ৰুৱাৰীত মন্ত্ৰীসভাৰ বৈঠকত সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান এই FAST TRACK আদালত গঠনক লৈ ৰাজনীতি চলি আছে। এই গোচৰৰ শুনানি কালত এতিয়ালৈকে ন্যায়াধীশে সকলো জামিন আবেদন নাকচ কৰা, দুজন অভিযুক্তই নিজৰ জামিন আবেদন প্ৰত্যাহাৰ কৰাৰ বিষয়ে উল্লেখ কৰি ড° শৰ্মাই বৰ্তমান বিচাৰ চলি থকা আদালতখনৰ পৰা গোচৰটো আন ন্যায়াধীশৰ আদালতলৈ স্থানান্তৰ কৰাৰ ষড়যন্ত্ৰ চলিছে বুলি অভিযোগ কৰিছে। এই সমগ্ৰ বিষয়সমূহ পৰৱৰ্তী মন্ত্ৰীসভাৰ বৈঠকত আলোচনা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**ৰাইট (চি এম)**

oooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাত আজি কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহান মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি তিনি বজাত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে অংশ ল'ব। কালিৰেপৰা অনুষ্ঠিত এই মেলাত গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা শিল্পীসকলে নিৰ্মাণ কৰা সামগ্ৰী প্ৰদৰ্শন তথা বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। এই মেলাত বিভিন্ন ৰাজ্যৰ ২৫০খনৰো অধিক বিপণীয়ে অংশ লৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ উপৰি মহাৰাষ্ট্ৰ, ছত্তিশগড়, গোৱা, ঝাৰখণ্ড, ত্ৰিপুৰা, উত্তৰপ্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, পঞ্জাৱ, হাৰিয়ানাকে ধৰি কেইবাখনো ৰাজ্যৰ হস্তশিল্প আৰু হস্ততাঁত সামগ্ৰী এই বিপণীসমূহত প্ৰদৰ্শন কৰা হৈছে। আজিৰেপৰা আটাইকেইটা দিনতে বিভিন্ন ক্ৰীড়া, পৰম্পৰাগত খেল, ফটোগ্ৰাফী, পুষ্পসজ্জা আৰু ৰন্ধন প্ৰকৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপৰি প্ৰতি সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। চৰচ মেলাই ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ সুচল কৰিব বুলি আশা কৰা হৈছে। ৮ মাৰ্চত এই মেলাৰ সামৰণি পৰিব।

০০০০০০

ৰাজ্যৰ বন বিভাগে গোলাঘাট জিলাৰ নেঘেৰীবিলত পুনৰ উচ্ছেদ চলোৱাৰ বাবে ৫৯ টা পৰিয়াললৈ বাসগৃহ খালী কৰিবলৈ জাননী জাৰি কৰিছে। যোৱা বছৰৰ ৮ আগষ্টত বন বিভাগে নেঘেৰীবিলৰ ২০৫ টা পৰিয়ালক উচ্ছেদৰ জাননী জাৰি কৰিছিল যদিও নেঘেৰীবিলৰ ৫৯ টা আৰু উৰিয়ামঘাটৰ ১১ টা পৰিয়ালে স্থগিতাদেশৰ বাবে আবেদন দাখিল কৰিছিল। উচ্চতম ন্যায়ালয়ে যোৱা ১০ ফেব্ৰুৱাৰীত গোচৰটোৰ শুনানী গ্ৰহণ কৰি বন বিভাগৰ সপক্ষে ৰায়দান কৰে। সেই অনুসৰি, বন বিভাগৰ গোলাঘাট বন সংমণ্ডলে যোৱা ২১ ফেব্ৰুৱাৰীত অঞ্চলটোৰ দখলীকৃত ভূমি সাদিনৰ ভিতৰত খালী কৰাৰ বাবে জাননী জাৰি কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ সাদিনৰ ভিতৰত এই পৰিয়ালসমূহে পুনৰ আবেদন নজনালে বন বিভাগে সেই স্থানত উচ্ছেদ চলাব বুলি জাননীত কোৱা হৈছে।

০০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰৰ নতুন সংহত টাৰ্মিনেল ভৱন কালিৰে পৰা কাৰ্য্যকৰী হৈছে। টাৰ্মিনেল ভৱনটোৰে প্ৰথমবাৰৰ বাবে যাত্ৰা কৰা যাত্ৰীসকলক মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অভিনন্দন জনায়। আকাশ এয়াৰৰ এখন বিমান অৱতৰণেৰে টাৰ্মিনেলটোৰ সেৱা মুকলি কৰা হয়। এই উপলক্ষে বৰঝাৰ বিমান বন্দৰত আয়োজিত এখন সভাত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে অসমত বিমান পৰিবহণ সংক্ৰান্তীয় কাম-কাজৰ সৈতে দক্ষ যুৱ প্ৰজন্মক জড়িত কৰাৰ বাবে বিভিন্ন পৰিকল্পনা লোৱা হৈছে। এই বিমান বন্দৰক বিমানৰ মেৰামতি, ছাৰ্ভিচিং কৰাৰ অৰ্থে এম আৰ অ' কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে পদক্ষেপ লোৱা হৈছে। তদুপৰি বিমান বন্দৰটোত বয়োজ্যেষ্ঠ লোকৰ সুবিধাৰ বাবে এলিভেটেড ৰাক্‌ৰো ব্যৱস্থা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে বিমান বন্দৰতে এখন পাইলট ট্ৰেইনিং একাডেমী এখন আৰম্ভ হ'ব বুলি প্ৰকাশ কৰে।

**বাইট (চি এম)**

অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যৰ সমাহাৰেৰে কপৌফুলৰ আৰ্হিত বাঁহেৰে নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটোৰে বিমান পৰিবহণ কেন্দ্ৰ হিচাপে গুৱাহাটীৰ স্থিতি সৱল কৰি তুলিব বুলি আশা কৰা হৈছে। এই টাৰ্মিনেল ভৱনটো নিৰ্মাণত প্ৰায় ১৪০ মেট্ৰিক টন বাঁহ ব্যৱহাৰ কৰা হৈছে।

০০০০০০

কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি আৰু পেঞ্চন মন্ত্ৰালয়ৰ অধীনৰ পেঞ্চন আৰু পেঞ্চনাৰ কল্যাণ বিভাগে গুৱাহাটীত আজি এলানি কৰ্মশালাৰ আয়োজন কৰিছে। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এই অনুষ্ঠানত অৱসৰৰ পূৰ্বে পৰামৰ্শ কৰ্মশালা, পেঞ্চনাৰৰ সজাগতা কাৰ্যসূচী আৰু বেংক কৰ্মচাৰীৰ সজাগতা কাৰ্যসূচী শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হ'ব। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ডঃ জীতেন্দ্ৰ সিং উপস্থিত থাকিব।

000000

রাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই লতাশিল খেলপথাৰত লোকভৱনৰ উদ্যোগত আয়োজিত স্বচ্ছ ভাৰত অভিযানৰ উদ্বোধনী অনুষ্ঠানত ভাগ লয়। লোকসেৱা ভৱনে আজিৰে পৰা গুৱাহাটী পৌৰ নিগমৰ সহযোগত **সেৱা সংকল্প সপ্তাহ**ৰ আয়োজন কৰিছে। এই অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া উপস্থিত থাকে। লতাশিল খেলপথাৰৰ পৰাই স্বচ্ছ ভাৰত অভিযান কাৰ্যসূচী আৰম্ভ হৈছে।

000000

অসম-অৰুণাচল প্ৰদেশ সীমা সমস্যা সমাধানৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে কালি সীমান্তৱৰ্তী চিজুছা বিন্দুত আন্তঃৰাজ্যিক সীমা স্তম্ভ স্থাপন কৰা হয়। অৰুণাচল প্ৰদেশৰ পাকেকেচাং আৰু অসমৰ বিশ্বনাথ জিলাৰ সীমান্ত অঞ্চলত বৰ্তমানলৈকে প্ৰায় ৮০ শতাংশ সীমা নিৰ্ধাৰণৰ কাম সফলভাৱে সম্পন্ন কৰা হৈছে। ৰাজ্য দুখনৰ মাজৰ সীমা সমস্যা সমাধানৰ বাবে ইতিমধ্যে শীৰ্ষ বিষয়াসকল  বহুবাৰ আলোচনাত মিলিত হৈছে। এই ক্ষেত্ৰত আন্তঃৰাজ্যিক আঞ্চলিক সমিতিৰ বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি দুয়োখন ৰাজ্যৰ সীমা নিৰ্ধাৰণ আৰু জৰীপৰ কাম কৰি অহা হৈছে। কালিৰ কাৰ্যসূচীত অৰুণাচল প্ৰদেশৰ স্বাস্থ্যমন্ত্ৰী বিয়ুৰাম ৱাগে, পাকেকেচাং জিলাৰ আয়ুক্ত বাণীলেগৰ লগতে বিশ্বনাথ জিলা আয়ুক্ত, জ্যেষ্ঠ আৰক্ষী অধীক্ষক তথা বন সংমণ্ডল প্ৰাধিকাৰী আৰু সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

000000

সদৌ কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত হনুমানবক্স সূৰযমল কানৈ মহাবিদ্যালয়ত আয়োজিত এটা অনুষ্ঠানত কালি বিশিষ্ট গল্পকাৰ প্ৰশান্ত শইকীয়াক চলিত বৰ্ষৰ বিশ্ব মহাবীৰ চিলাৰায় বঁটা প্ৰদান কৰা হয়। এই বঁটাত মহাবীৰ চিলাৰায়ৰ প্ৰতিচ্ছবি, প্ৰশস্তিপত্ৰ, চেলেং, কোচ-ৰাজবংশীসকলৰ পৰম্পৰাগত পোচাক আৰু এটা পিতলৰ স্মাৰক আছে।  শ্ৰী শইকীয়াই সোণোৱাল-কছাৰী জনগোষ্ঠীৰ তত্ব বিশ্লেষণ, অন্বেষণ, সংস্কৃতিৰ স্বৰ্ণৰেখা, সাহিত্য মণিষা দৰ্শনৰ দৰে ভালেমান প্ৰবন্ধ সংকলন ৰচনা কৰাৰ লগতে কেইবাখনো গ্ৰন্থও ৰচনা কৰিছে।  এই অনুষ্ঠানত শ্ৰী শ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডং হীৰেন্দ্ৰনাথ শৰ্মাই মুখ্য অতিথি হিচাপে অংশ লৈ চিলাৰায়ৰ বিষয়ে বিস্তৃতভাৱে বৰ্ণনা কৰে।

000000

ৰাজ্যজুৰি চলি থকা মাদক দ্ৰব্য বিৰোধী অভিযানৰ সময়তে হাইলাকান্দি আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ য়াবা টেবলেট জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ সূত্ৰই জনোৱা মতে কালি বাওৰাঘাট অঞ্চলত অভিযান চলাই সন্দেহজনকভাৱে চলাচল কৰি থকা এখন ব্যক্তিগত বাহন আটক কৰে। বাহনখনৰ ভিতৰত বিশেষভাৱে নিৰ্মাণ কৰা গোপন চেম্বাৰৰ ভিতৰত ১২ পেকেট য়াবা টেবলেট উদ্ধাৰ কৰে। জব্দকৃত মাদক দ্ৰব্যখিনিৰ আনুমানিক বজাৰ মূল্য ৫ কোটি টকা। আটক কৰা দুগৰাকী সৰবৰাহকাৰী মিজোৰামৰ বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

000000

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত ভাৰত দক্ষিণ আফ্ৰিকাৰ হাতত ৭৬ ৰানত পৰাস্ত হয়। দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৮৭ ৰান সংগ্ৰহ কৰে। ডেভিদ মিলাৰে ৬৩ আৰু ট্ৰিষ্টান ষ্টাবছে ৪৪ ৰান কৰে। প্ৰত্যুত্তৰত ভাৰতে ১৮ অভাৰ ৫টা বলতে আটাইকেইটা উইকেট হেৰুৱাই ১১১ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ শিৱম ডুবেই সৰ্বাধিক ৪২ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ মাৰ্ক' জেনচনে ৪টা উইকেট দখল কৰাৰ লগতে কেশৱ মহাৰাজে দুটা উইকেট লাভ কৰে। ডেভিদ মিলাৰক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ আন এখন খেলত ইংলেণ্ডে শ্ৰীলংকাক ৫১ ৰানত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৪৬ ৰান সংগ্ৰহ

কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাই ১৬ অভাৰ এটা বলতে আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৯৫ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত জিম্বাব'ৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

বৰ্ষীয়ান সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ দেহাৱসান, বৃন্দাৱনী বস্ত্ৰ-গৃহৰ শিলান্যাস, বৰঝাৰৰ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নতুন টাৰ্মিনেলৰ পৰা বাণিজ্যিক বিমান সেৱা আৰম্ভ আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতৰ প্ৰথম পৃষ্ঠা দখল কৰিছে।

দেশৰ আটাইতকৈ বৰ্ষীয়ান আৰু আমৃত্যু সম্পাদকৰ দায়িত্ব বহন কৰা প্ৰবীণ সাংবাদিক, দৈনিক অসম কাকতৰ প্ৰাক্তন সম্পাদক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ মৃত্যুৰ বাতৰি **দৈনিক অসম** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই একেটা বাতৰি আটাইকেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

বাজপেয়ী ভৱনত দিলীপ শইকীয়াৰ উপস্থিতিত অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ভূপেন বৰাসহ কেইবাজনৰো বিজেপিত যোগদানৰ বাতৰিটো **আমাৰ অসম** কাকতৰ লগতে আটাইবোৰ কাকতে প্ৰকাশ কৰিছে।

বৃন্দাৱনী বস্ত্ৰ প্ৰদৰ্শনৰ বাবে খানাপাৰাত সাংস্কৃতিক সংগ্ৰহালয় প্ৰকল্প নিৰ্মাণৰ কালি শিলান্যাস কৰা হয়। এই বাতৰি **দৈনিক জনমভূমি** কাকতে বিশদভাৱে প্ৰকাশ কৰিছে।

এ আই ব্যৱহাৰে ভাৰতৰ ভৱিষ্যত সলনিৰ দিশে আগবাঢ়িছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰে। এই বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যত কেইবামাহ ধৰি বৰষুণৰ অভাৱত আকাশ-বতাহ ধূলিয়ে ছানি ধৰিছে। জলবায়ু পৰিৱৰ্তন-গোলকীয় উষ্ণতা বৃদ্ধিৰ ভয়াৱহ প্ৰভাৱ সন্দৰ্ভত বাতৰি প্ৰকাশ কৰি **দৈনিক অগ্ৰদূত** কাকতৰ বাতৰিৰ শিৰোনাম – 'স্বাভাৱিকতকৈ পাঁচ ডিগ্ৰী অধিক তাপমাত্ৰা'।

অহা ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া কেবিনেট বৈঠকত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তদন্ত কৰিবলৈ প্ৰয়োজনত ফাষ্ট ট্ৰেক আদালত গঠনৰ সিদ্ধান্ত লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণাৰ এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰকাশ কৰিছে।

বাৰ্লিন আন্তঃৰাষ্ট্ৰীয় ছবি মহোৎসৱত ছবি নিৰ্মাতা ৰীমা দাসৰ নট এ হিৰ' ছবিখনে ক্ৰিষ্টেল বীয়েৰ স্পেচিয়েল মেনচন সন্মান লাভ কৰাৰ বাতৰি এটা **দি আছাম ট্ৰিবিউন** কাকতে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতত অৰুণাচলৰ ভূমিক লৈ চীন আৰু পাকিস্তানে ষড়যন্ত্ৰ ৰচনা কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, মেঘালয় আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**